**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-OCT-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

শিক্ষা তথা ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি ধেমাজি অভিযান্ত্ৰিক বিদ্যালয়ৰ এটা ছাত্ৰীনিবাসৰ উদ্বোধন কৰে। ৰাজ্য চৰকাৰৰ জনজাতি পৰিক্ৰমা ভৈয়াম বিভাগৰ অধীনত নিৰ্মাণ কৰা এই ছাত্ৰীনিবাসটোৰ লগতে শিক্ষাৰ্থীৰ বৰ্ধিত সংখ্যালৈ লক্ষ্য ৰাখি আন এটা নিবাস নিৰ্মাণৰো অনুমোদন দিয়া বুলি মন্ত্ৰীগৰাকীয়ে কালি উল্লেখ কৰে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে ধেমাজিৰ ভেহপৰাৰ ধেমাজি ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰত উপস্থিত হৈ এটা ছাত্ৰাবাসৰ শিলান্যাস কৰে। ভাষণ প্ৰসঙ্গত মন্ত্ৰীগৰাকীয়ে কয়, যে টাটা টেকন'লজীৰ সহায়ত উদ্যোগ ৪.০ৰ সৈতে সংযুক্ত হৈ দক্ষতাভিত্তিক পাঠ্যক্ৰমৰ প্ৰৱৰ্তন কৰি ধেমাজিকে ধৰি আন ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰসমূহ উন্নীত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। ইপিনে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত চৰকাৰ নিৰপেক্ষ বুলি তেওঁ মন্তব্য কৰে।

**বাইট (ডাঃ ৰণোজ পেগু)**

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন পৰ্যটনস্থলীক নতুন ৰূপ দিয়াৰ প্ৰয়াসেৰে উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত গুৰুত্ব আৰোপ কৰিছে। ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাশ কৰা মতে কাজিৰঙা, জিৰ', ছ'হৰা, ঠেনজল, মাতাবাৰী, কিছামা, নামছি আৰু মৈৰাঙক বিশ্বমানৰ পৰ্যটনস্থলী কৰি তোলাৰ বাবে কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। উত্তৰ-পূবক ভাৰতৰ বিকাশৰ ইঞ্জিন হিচাপে গঢ়ি তুলিবলৈ অঞ্চলটোত পৰ্যটন আৰু সাংস্কৃতিক ক্ষেত্ৰৰ পৰিৱৰ্তন সাধন কৰিব লাগিব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তদুপৰি প্ৰতিখন ৰাজ্যতে কেতবোৰ বিশেষ সামগ্ৰীৰ প্ৰচাৰৰ বাবে অভিলাষী আঁচনি লোৱা হৈছে। ইয়াৰ বাবে অসমৰ মুগা, মেঘালয়ৰ লেকাডং হালধি, মণিপুৰৰ প'ল', ছিকিমৰ জৈৱিক কৃষি আৰু ত্ৰিপুৰাৰ কুইন প্ৰজাতিৰ আনাৰসক বিশ্বজুৰি জনপ্ৰিয় কৰাৰ বাবে বিশেষ পদক্ষেপ লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে কয়। ২০২৯ চনৰ ভিতৰত উত্তৰ-পূবৰ সকলো ৰাজ্য সম্পূৰ্ণৰূপে ৰে'ল সংযোগেৰে কাৰ্যক্ষম হৈ উঠিব বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ছিংগাপুৰলৈ যোৱা অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে আজি দেশখনৰ আৰক্ষীৰ সৈতে আলোচনাত মিলিত হ'ব। এছ আই টিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তা আৰু সহকাৰী তদন্তকাৰী বিষয়া তৰুণ গোৱেলৰে গঠিত দুজনীয়া দলটোৱে ছিংগাপুৰ আৰক্ষীৰ পৰা জুবিনৰ মৃত্যু সন্দৰ্ভত যাৱতীয় তথ্য গ্ৰহণ কৰিব।

ইপিনে সোণাপুৰত থকা জুবিন গাৰ্গৰ সমাধি ক্ষেত্ৰ নিৰ্মাণক লৈ কালি শংকৰদেৱ কলাক্ষেত্ৰত নিৰ্মাণ সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গ, ভগ্নী পামী বৰঠাকুৰ, আৰক্ষী আয়ুক্ত পাৰ্থসাৰথী মহন্ত, অভিনেতা প্ৰাঞ্জল শইকীয়া, লেখিকা অনুৰাধা শৰ্মা পূজাৰী, ভাস্কৰ্য শিল্পী বীৰেন সিংহ, সংগীত শিল্পী পুলক বেনাৰ্জীকে ধৰি সমিতিখনৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। বৈঠকৰ অন্তত সাংবাদিকৰে হোৱা কথা বাৰ্তাত গৰিমা গাৰ্গে কয়, যে জুবিন গাৰ্গক নৱপ্ৰজন্মৰ আগত চিনাকী কৰি দিব পৰাকৈ সকলো সমল সমাধিক্ষেত্ৰত

থাকিব লাগিব। জুবিনৰ শেষকৃত্য সম্পন্ন হোৱা সোণাপুৰৰ কমাৰকুছি স্থানক জুবিনক্ষেত্ৰ হিচাপে পৰিচিত হোৱাটো বিচাৰে বুলি গৰিমা গাৰ্গে প্ৰকাশ কৰে। জুবিন গাৰ্গে প্ৰকৃতিক অন্তৰেৰে ভাল পাইছিল বুলি উল্লেখ কৰি গৰিমা গাৰ্গে কয়, যে জুবিনক্ষেত্ৰখনো প্ৰাকৃতিক পৰিৱেশৰ সৈতে সংপৃক্ত হৈ থাকিব লাগিব।

০০০০০০

সমগ্ৰ ৰাজ্যতে কালিৰেপৰা পৰম্পৰাগত ৰীতি-নীতিৰে কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উদ্‌যাপন কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগে সৃষ্টি কৰা শূন্যতাৰ মাজতে এইবাৰ ৰাজ্যৰ অধিকাংশ লোকেই মাটিৰ চাকিৰে দীপান্বিতা পালন কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাইছে। মৃৎ শিল্পীসকলে প্ৰস্তুত কৰা চাকি আৰু বিভিন্ন ৰঙীন বিজুলীবাতিৰে ৰাজ্যৰ চহৰ, নগৰৰ বাসগৃহসমূহ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ পোহৰাই তোলা হৈছে। গুৱাহাটী মহানগৰীতো পৰম্পৰাগত ৰীতি-নীতিৰে কালীপূজা আৰু দীপাৱলী পালন কৰা হৈছে। মহানগৰখনৰ ভালেমান লোকৰ বাসগৃহৰ সন্মুখ আৰু দোকান পোহাৰৰ সন্মুখত শাৰী শাৰী কলগছ ৰোপণ কৰি বন্তিৰে চৌপাশ উজ্বলাই তোলা হৈছে। কালী মন্দিৰসমূহৰ লগতে আন কেতবোৰ ঠাইত ধৰ্মীয় ৰীতি-নীতিৰে কালী পূজা সম্পন্ন হয়।

০০০০০০

ডিব্ৰুগড় জিলাৰ মৰাণৰ বাল্য বিকাশ বিদ্যালয় প্ৰাংগণত চাৰিদিনীয়াকৈ আয়োজিত শিশু সন্মিলনৰ অংশ হিচাপে কালি সন্ধিয়া এখন ভাওনা পৰিৱেশন কৰা হয়। সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰাই ভাওনাখন উদ্বোধন কৰে। দানবীৰ ৰজা হৰিচন্দ্ৰ শীৰ্ষক ভাওনাখনত ছাত্ৰ-ছাত্ৰীসকলে অভিনয় কৰে।

০০০০০০

বৃহত্তৰ গণ সন্মিলনৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা সমিতিৰ সহযোগত কালি আদিত্য শইকীয়া সোঁৱৰণী সাংবাদিকতা বঁটা প্ৰদান কৰা হয়। এই উপলক্ষে ডিব্ৰুগড় জিলা পুথিভঁৰালত আয়োজিত অনুষ্ঠানত লাহোৱাল প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক দিবাকৰ দত্তক এই বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানত দয়ানন্দ শ্বাহ, জ্যেষ্ঠ সাংবাদিক হৰেন সোণোৱালৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

সমাপ্ত